জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫১/২০২১

অৰ্থড'ক্স আৰু বিশেষ চাহৰ উৎপাদন বৃদ্ধিত উদগণি প্ৰদানেৰে মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে অসম চাহ উদ্যোগ বিশেষ উদগণি আঁচনিৰ

# চাহ শ্ৰমিকৰ সামাজিক সুৰক্ষা শক্তিশালীকৰণৰ দিশত চৰকাৰে পদক্ষেপ লৈ আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৪ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্য চৰকাৰৰ বিত্ত তথা উদ্যোগ আৰু বাণিজ্যি বিভাগৰ দ্বাৰা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজন কৰা এক অনুষ্ঠানত অসম চাহ উদ্যোগ বিশেষ উদগণি আঁচনি, ২০২০ ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে এই আঁচনিখনৰ জৰিয়তে অৰ্থড'ক্স আৰু বিশেষ চাহৰ উৎপাদনকাৰী বাগিচাসমূহলৈ উদগণি প্ৰদানেৰে ইয়াৰ উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। আঁচনিখনৰ জৰিয়তে অৰ্থড'ক্স আৰু বিশেষ চাহপাত প্ৰস্তুতকাৰী উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে সৰ্ব্বোচ্চ ২০ লাখ টকালৈকে প্ৰতি বছৰে কাৰ্যকাৰী মূলধনৰ বিপৰীতে ৩ শতাংশ সুদ ৰেহাইৰ পদক্ষেপ লোৱাৰ উপৰি প্ৰতি কেজি অৰ্থড'ক্স আৰু বিশেষ চাহপাত উৎপাদনৰ বিপৰীতে ৭ টকাকৈ ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব। তদুপৰি, প্ৰয়োজনীয় নতুন যন্ত্ৰাপাতিৰ বাবে ক্ৰয় কৰা মূলধনৰ বিপৰীতে সৰ্ব্বোচ্চ ৩০ লাখ টকালৈকে ২৫ শতাংশ ৰাজ সাহায্যৰ ব্যৱস্থা আঁচনিখনত ৰখা হৈছে। ইয়াৰ উপৰি আঁচনিখনৰ জৰিয়তে ৩ বছৰৰ বাবে কৃষি আয়কৰ ৰেহাইৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত অৱস্থিত অৰ্থড'ক্স চাহপাত আৰু বিশেষ চাহপাত প্ৰস্তুতকাৰী উদ্যোগৰ বাবে এই আঁচনিখন ৩ বছৰৰ বাবে প্ৰযোজ্য হ'ব আৰু এই আঁচনিখনৰ বাবে পঞ্জীয়ন আৰু ৰাজসাহায্যৰ আৱেদনৰ বাবে এটা অনলাই প'ৰ্টেলৰো ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আঁচনিখন অৰ্থড'ক্স চাহপাতৰ উৎপাদন বৃদ্ধিৰ দিশত উদগণি যোগোৱাৰ বাবে শুভাৰম্ভ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে অৰ্থড'ক্স আৰু চিটিচি চাহপাতৰ উৎপাদনৰ মাজত এক নিৰ্দিষ্ট ভাৰসাম্য বজাই ৰখাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চাহ উদ্যোগে বৰ্তমানে সন্মুখীন হৈ থকা প্ৰত্যাহ্বান অতিক্ৰম কৰাৰ দিশত এই আঁচনিখনে বিশেষভাৱে সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে চাহ শ্ৰমিকৰ সামাজিক সুৰক্ষা শক্তিশালী কৰাৰ দিশত বিশেষ পদক্ষেপ গ্ৰহণ কৰি আছে। চাহ জনগোষ্ঠীৰ সৰ্বাংগীন বিকাশৰ বাবে বাগিচাসমূহত বৰ্তমানে থকা স্বাস্থ্য প্ৰতিষ্ঠান আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহ পৰ্যায়ক্ৰমে চৰকাৰৰ দ্বাৰা পৰিচালনা কৰাৰ দিশত পৰিকল্পনা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, বাগিচাসমূহত থকা ভূমি যথাযথভাৱে কামত খটুৱাবৰ

বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ভূমি আইনৰ সংশোধনীৰ পৰিকল্পনা কৰি আছে বুলিও তেওঁ কয়। ইয়াৰ উপৰি, জলজীৱন মিছনৰ অধীনত প্ৰতিটো চাহ পৰিয়াললৈ পাইপৰ জৰিয়তে পানী যোগানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আছে বুলিও তেওঁ জানিবলৈ দিয়ে। অসম গেছ কোম্পানীৰ গেছ গ্ৰিডৰ জৰিয়তে তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাকে ধৰি উজনি অসমৰ চাহ বাগিচাসমূহৰ প্ৰতিগৰাকী শ্ৰমিকৰ গৃহলৈ গেছ পাইপালাইনৰ সংযোগ স্থাপন কৰাৰ দিশটো ৰাজ্য চৰকাৰে পৰিকল্পনা কৰি আছে বুলিও তেওঁ জানিবলৈ দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ চাহৰ ব্যাপক প্ৰচাৰৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিত্ত বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱাই উপস্থিত থকা এই অনুষ্ঠানত চাহ ব'ৰ্ডৰ অধ্যক্ষ প্ৰভাত বেজবৰুৱা, ভাৰতীয় চাহ সংস্থাৰ অধ্যক্ষ বিবেক গোৱেংকা, ভাৰতীয় ষ্টেট বেংকৰ এছ এল বি চিৰ মহাপ্ৰৱন্ধক সুৰঞ্জনা দত্তইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে আঁচনিখনৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেশ্যন আগবঢ়োৱাৰ উপৰি আঁচনিখনৰ বাবে প্ৰস্তুত কৰা অনলাইন প'ৰ্টেলৰ সবিশেষ সামৰি এক প্ৰেজেণ্টেশ্যনো আগবঢ়োৱা হয়। অনুষ্ঠানত চাহ বাগিচাৰ প্ৰতিটো গৃহ সামৰি আৰম্ভ হ'বলগীয়া জলজীৱন মিছনৰ আলোকপাতেৰে আন এক প্ৰেজেণ্টেশ্যনো আগবঢ়োৱা হয়।

**বীঃগঃ / বঃভাঃ**
**০৪/০৭/২০২১**